জনসংযোগ, কামৰূপ মহানগৰ    প্ৰেছ বাৰ্তা নং ১২৭/২০২১

## বজাৰ সমিতিৰ লগত সভা

## ন' মাস্ক, ন' চেলচ্ নীতি প্ৰযোজ্যৰ নিৰ্দেশ

গুৱাহাটী, ১৩ জুলাইঃ কামৰূপ মহানগৰ জিলাক কৰোণামুক্ত কৰাৰ বাবে খুবেই কঠোৰ হৈ পৰিছে জিলা প্ৰশাসন। জিলাখনত গণসংক্ৰমণে যাতে ভয়াবহ ৰূপ ধাৰণ কৰিব নোৱাৰে, সেই উদ্দেশ্য আগত ৰাখি জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত জিলাখনৰ বজাৰ সমিতিসমূহৰ বিষয়-ববীয়াসকলৰ লগত মঙলবাৰে এখন জৰুৰী সভা অনুষ্ঠিত হয়। পৌৰ নিগমৰ আয়ুক্ত দেৱাশীষ শৰ্মা আৰু অতিৰিক্ত আয়ুক্ত পুলক মহন্ত, জিলা উন্নয়ন আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে অতিৰিক্ত উপায়ুক্তসকল উপস্থিত থকা এই সভাত উপায়ুক্ত বিশ্বজিৎ পেগুৱে বজাৰ সমিতিৰ সভাপতি-সম্পাদকসমূহক প্ৰতিখন দোকানৰ সন্মুখত 'ন' মাস্ক, ন' চেলচ' শীৰ্ষক বেনাৰ লগোৱাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে দোকানৰ প্ৰতিজন কৰ্মচাৰীয়ে মাস্ক পিন্ধা আৰু দোকানৰ সন্মুখত চেনিটাইজাৰ বা চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা ৰখাতো বাধ্যতামূলক, অন্যথা প্ৰশাসনৰ টাস্ক ফৰ্চে দোকানসমূহ পৰিদৰ্শন কৰি লাইচেন্স বাতিল কৰি দিব। আনহাতে পৌৰনিগমৰ আয়ুক্ত দেৱাশীষ শৰ্মাই প্ৰতিটো আলিয়ে গলিয়ে, প্ৰায় প্ৰতিখন দোকানৰ সন্মুখৰ ফুটপাথত অস্থায়ী দোকান বহুৱাতো বন্ধ কৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বজাৰ সমিতিক অনুৰোধ জনায়। নতুবা দোকানৰ বয়-বস্তু জব্দ কৰা হ'ব বুলি উনুকিয়াই তেওঁ কয় যে যেতিয়ালৈকে ক'ভিড বিধি তথা চৰকাৰী নীতি-নিৰ্দেশনা কঠোৰভাৱে মানি নচলে তেতিয়ালৈকে ক'ভিড ৰোধ কৰিব নোৱাৰি।

সভাত জিলাখনৰ কেবাখনো বজাৰ সমিতিৰ লগতে খাদ্য আৰু অসামৰিক যোগান বিভাগ, জিলা স্বাস্থ্য বিভাগ আদিৰ বিষয়-ববীয়াসকলে সভাত অংশগ্ৰহণ কৰে।